# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-SEP-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

ooooo

অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কিছুসময়ৰ পূৰ্বে নতুন দিল্লীলৈ ৰাওনা হৈছে। মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও নতুন দিল্লীলৈ গৈছে। যাত্ৰাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান, মহানগৰ আৰক্ষী আয়ুক্ত আৰু গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰ কৰ্তৃপক্ষৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয় –

বাইট

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জনতাৰ শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত তেওঁৰ পাৰ্থিৱ শৰীৰ ভাৰতৰ ৰাষ্ট্ৰদূত তথা ছিংগাপুৰত উপস্থিত থকা জুবিন গাৰ্গৰ বন্ধুবৰ্গৰ হাতত অৰ্পণ কৰা হয়। ইয়াৰ পাছত শিল্পীগৰাকীৰ নশ্বৰ দেহ দিল্লীলৈ অনাৰ ব্যৱস্থা কৰা হয় আৰু দিল্লীৰ পৰা তেওঁৰ বাসগৃহলৈ অনা হ'ব। পৰিয়ালবৰ্গৰ সৈতে কিছু সময় কটোৱাৰ পাছত সৰুসজাইত শিল্পীগৰাকীক ৰখাৰ ব্যৱস্থা কৰা হ'ব। জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ ৰাখিবলগীয়া ষ্টেডিয়ামখনৰ সামগ্ৰিক ব্যৱস্থাপনা নিৰীক্ষণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি আই ডিক অৰ্পণ কৰিছে। এই ঘটনা সন্দৰ্ভত কেইবাখনো থানাত ৰুজু হোৱা গোচৰ তদন্তৰ বাবে চি আই ডিক অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে নশ্বৰদেহ অসমলৈ অনাৰ পাছতহে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰা হ'ব। অৱশ্যে বিভিন্ন পক্ষৰ সৈতে আলোচনামৰ্মে যোৰহাটত এই কাম সম্পন্ন কৰা হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে ইংগিত দিছে।

জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে কাইলৈ আৰু পৰহিলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, কাইলৈ হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, পৰহিলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষাৰ দিন পৰৱৰ্তী পৰ্য্যায়ত ঘোষণা কৰা হ'ব।

ৰাজ্যৰ বিদ্যালয়সমূহত আজিৰে পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষাও পিছুৱাই দিয়া হয়। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত পৰীক্ষা পিছুৱাই দিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ দিয়া হৈছে।

ooooo

জনতাৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ অকাল দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ পৰিছে। কালি এই পীড়াদায়ক বাতৰি পোৱাৰ পাছৰে পৰা অগণন লোকে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পথসমূহত

সমবেত হয়। ম্ৰিয়মান জনতাই শিল্পীগৰাকীৰ কালজয়ী গীতসমূহ কণ্ঠত আওঁৰাই তেওঁৰ প্ৰতি আজিও শ্ৰদ্ধা নিবেদিছে। গুৱাহাটী মহানগৰীৰ প্ৰতিটো প্ৰান্তত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। গণেশগুৰিৰ উৰণ সেঁতুৰ তলত, লতাশিল, চানমাৰিকে ধৰি প্ৰতিটো ৰাজহুৱা স্থানৰ উপৰি কাৰ্যালয় আৰু ব্যক্তিগতভাৱেও সকলোৱে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। আকাশবাণী গুৱাহাটীৰ চৌহদতো আজি সন্ধিয়া ৬ বজাত শিল্পীগৰাকীক গীতে-মাতে সোঁৱৰণ কৰা হ'ব।

ooooo

জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতৰ বিষয় সলনি কৰা হৈছে। অনুষ্ঠানত আজি জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু তেওঁৰ দেহাৱসানে আনি দিয়া শূন্যতা সম্পৰ্কে আলোচনা কৰা হ'ব। অনুষ্ঠানত চিন্ময়ী গোস্বামী আৰু ভাস্কৰ জ্যোতি আচাৰ্য্যই অংশগ্ৰহণ কৰিব। ইয়াত আমাৰ সংবাদদাতাসকলেও যোগ দিব। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। পূৰ্বতে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আজিৰ দৃষ্টিপাতত আলোচনা কৰাৰ কথা আছিল।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। সাক্ষাৎ কালত ৰাজ্যপালগৰাকীয়ে শ্ৰীৰাধাকৃষ্ণণক ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কল্যাণমূলক উদ্যমৰ বিষয়ে অৱগত কৰে।

ooooo

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি গৰৈমাৰী ৰাজহ চক্ৰৰ পূৰ্বৰ চক্ৰ বিষয়া নূপুৰ বৰাৰ বৰপেটা ৰোডৰ এটা বেংকৰ লকাৰৰ পৰা পুনৰ ৩১ লাখ ১০ হাজাৰৰো অধিক টকা জব্দ কৰে। ইয়াকে লৈ তদাৰকী কোষে নূপুৰ বৰাৰ পৰা মুঠ ১ কোটি ৪৭ লাখৰো অধিক টকা উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ পূৰ্বে যোৱা ১৫ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে নুপূৰ বৰাৰ পৰা প্ৰায় ৯২ লাখ ৪৯ হাজাৰ টকা আৰু ১৭ ছেপ্তেম্বৰত ২০ লাখ ৭৫ হাজাৰ টকা উদ্ধাৰ কৰিছিল। উল্লেখযোগ্য যে সম্প্ৰতি তিনি দিনৰ বাবে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জিম্মাত তেওঁক ৰখা হৈছে। কালি নূপুৰ বৰাক ৰাজ্য চৰকাৰে চাকৰিৰ পৰা নিলম্বন কৰিছিল।

ooooo

সমাপ্ত